# অসম আদিত্য

১১ বৰ্ষ, ১৯৪৬ শক ■ বুধবাৰ, ২৪ এপ্ৰিল, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, April 24, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


### ‘প্ৰতিযোগিতামূলক পৰীক্ষা, নৱ প্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ’ শীৰ্ষক বিষয়ক বক্তৃতা প্ৰদান কৰিব ময়ুৰ বৰাই

## কানৈ মহাবিদ্যালয়ত বক্তৃতানুষ্ঠানৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ এপ্ৰিল ঃ** অসমৰ ঐতিহ্যপূৰ্ণ মহাবিদ্যালয় ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ২৫ এপ্ৰিলত এক মননশীল বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। মহাবিদ্যালয়খনৰ শিক্ষাতত্ত্ব, সমাজতত্ত্ব আৰু মনোবিজ্ঞান বিভাগৰ দ্বাৰা আয়োজন কৰা বক্তৃতানুষ্ঠানত বিশিষ্ট সাহিত্যিক, সমালোচক ময়ূৰ বৰাই ‘প্ৰতিযোগিতামূলক পৰীক্ষা, নৱ প্ৰজন্ম আৰু অসমৰ ভৱিষ্যৎ’ শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জনোৱা মতে মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীসকলৰ সামগ্ৰীক, শৈক্ষিক উত্তৰণৰ বাবে নিয়মীয়াকৈ ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত আলোচনাচক্ৰ, কৰ্মশালা, বক্তৃতানুষ্ঠান আদি আয়োজন কৰি আহিছে। ইয়াৰ অংশ হিচাপে মহাবিদ্যালয়খনৰ তিনিটাকৈ বিভাগৰ উদ্যোগত এই বক্তৃতা আয়োজন কৰা হৈছে বুলি তেওঁ কয়। উল্লেখ্য যে অধ্যক্ষৰ আদৰণী ভাষণৰ পিছতে এটি বৰগীতেৰে আদৰণি জনাব বিশিষ্ট সাহিত্যিকগৰাকীক। দিনৰ ২.৩০ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া বক্তৃতানুষ্ঠানৰ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলৰ স’তে এক মত-বিনিময় অনুষ্ঠানটো অংশগ্ৰহণ কৰিব বিশিষ্ট সাহিত্যিকগৰাকীয়ে।